অসম বিধানসভা

তৰাযুক্ত প্ৰশ্ন নং : * ২১৮

উত্তৰ দিয়াৰ তাৰিখ – ২৪/০৭/২০২৬

বিষয় : গাঁও প্ৰধান সম্পৰ্কত

বিধায়কৰ নাম : শ্ৰী বিনোদ হাজৰিকা :

*২১৮ । মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চৰকাৰৰ অধীনস্থ কিমানখন ৰাজহ গাঁৱত গাঁও প্ৰধান বৰ্তমানলৈকে নিয়োজিত হৈ আছে ?

(খ) বৰ্তমানলৈকে খালী হৈ থকা গাঁও প্ৰধানৰ পদসমূহ জিলা ভিত্তিক দাঙি ধৰিব ।

(গ) খালী হৈ থকা গাঁও প্ৰধান পদসমূহ পূৰণ কৰিবৰ কাৰণে চৰকাৰে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি ?

(ঘ) যদি কৰিছে, কেতিয়ালৈকে কৰিব তাক বিতংভাৱে জনাব ।

(ঙ) অৱসৰ গ্ৰহণৰ পিছত গাঁও প্ৰধানসকলৰ বাবে কিবা এককালীন সাহায্য প্ৰদান কৰা হৈছে নেকি ?

উত্তৰ

ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী যুত কেশৱ মহন্ত দেৱে উত্তৰ দিব :

**(ক)** অসম চৰকাৰৰ অধীনস্থ মুঠ ১১৮৫৯ (এঘাৰ হাজাৰ আঠশ উনষাঠি) খন ৰাজহ গাঁওত বৰ্তমানলৈকে গাঁও প্ৰধান নিয়োজিত হৈ আছে । তালিকা Annexure 'A' ত সংলগ্ন কৰা হ'ল

**(খ)** বৰ্তমানলৈকে অসমত মুঠ ২৪৯৯ (দুহেজাৰ চাৰিশ নিৰান্নৱৈ) টা গাঁও প্ৰধান পদ খালী হৈ আছে । খালী হৈ থকা গাঁও প্ৰধান পদসমূহৰ জিলা-ভিত্তিক তথ্য Annexure 'A' ত দাঙি ধৰা হ'ল ।

**(গ)** খালী হৈ থকা গাঁও প্ৰধান পদসমূহ পূৰণ কৰিবৰ কাৰণে সংশ্লিষ্ট জিলা প্ৰশাসন সমূহে ব্যৱস্থা হাতত লৈছে । জিলা সমূহে প্ৰদান কৰা সবিশেষ তথ্য Annexure 'B' ত দাঙি ধৰা হ'ল ।

**(ঘ)** এই সন্দৰ্ভত সংশ্লিষ্ট জিলা প্ৰশাসনসমূহে নিয়ম অনুসৰি খালী পদসমূহ পূৰণৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে আৰু উক্ত খালী পদসমূহ পূৰণৰ প্ৰক্ৰিয়া বৰ্তমান চলি আছে।

**(ঙ)** গাঁও প্ৰধান সকলে ০১/১০/২০২৫ ইং তাৰিখৰ পৰা প্ৰতি মাহে পাৰিতোষিক হিচাবে বৰ্দ্ধিত হাৰত ১৪০০০ টকা লাভ কৰি আছে । অৱসৰ গ্ৰহণৰ পিছত গাঁও প্ৰধানসকলৰ বাবে এককালীন সাহায্য প্ৰদান কৰাৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

************

ANNEXURE-A

**District wise details of Gaon Pradhans related to Starred Assembly Question No. 218 to be asked by Shri. Binod Hazarika, Hon'ble MLA.**

**(ক) আৰু (খ)**

| ক্ৰমিক নং | জিলা | মুঠ গাওঁ প্ৰধান পদৰ সংখ্যা | খালী পদৰ সংখ্যা | গাঁও প্ৰধান নিযুক্তহৈ থকা ৰাজহ গাঁওসমূহ | গাঁও প্ৰধান নিযুক্তহৈ নথকা ৰাজহ গাঁওসমূহ |
|---|---|---|---|---|---|
| ১ | বজালী | ১৩৪ | ৩২ | ১৭৪ | ৬৫ |
| ২ | বৰপেটা | ৩২৫ | ৪২ | ৫৬১ | ৯২ |
| ৩ | বিশ্বনাথ | ২২১ | ৩২ | ৬৭৯ | ৮৬ |
| ৪ | বঙাইগাঁও | ২৬৩ | ২৬২ | ১ | ৫৬২ |
| ৫ | কাছাৰ | ৩২৪ | ৩২৪ | --- | ৮৬৮ |
| ৬ | চৰাইদেউ | ৯০ | ৩ | ২৫৯ | ৩ |
| ৭ | দৰং | ৩০৬ | ৪১ | ৫১২ | ৫৪ |
| ৮ | ধেমাজি | ২৮২ | ৩ | ১১৫৫ | ১৭ |
| ৯ | ধুবুৰী | ৪০৩ | ৪০৩ | --- | ৯৮৩ |
| ১০ | ডিব্ৰুগড় | ৩৫৯ | ৪৮ | ১২১৮ | ১২৯ |
| ১১ | গোৱালপাৰা | ৩৬০ | ৩১০ | ১১০ | ৭৪৯ |
| ১২ | গোলাঘাট | ২৯২ | ৩০ | ৫৩৬ | ৮৯ |
| ১৩ | হাইলাকান্দি | ১৬৮ | ১৬৮ | --- | ৩০৬ |
| ১৪ | হোজাই | ১৩৮ | ৫৯ | ২৩১ | ১৩৯ |
| ১৫ | যোৰহাট | ২৯৭ | ১৭ | ৫৪৭ | ২৩ |
| ১৬ | কামৰূপ (মহানগৰ) | ৯৩ | ২৭ | ৬৬ | ২৭ |
| ১৭ | কামৰূপ, আমিনগাঁও | ৬০০ | ৭৮ | ৮৯৫ | ৭৮ |
| ১৮ | লখিমপুৰ | ৩৫৫ | ৩৭ | ৯৯০ | ১২৬ |
| ১৯ | মাজুলী | ১১৯ | ১০ | ১১৭ | ৪২ |
| ২০ | মৰিগাঁও | ২৫৯ | ৩৯ | ৫৫২ | ৭৭ |
| ২১ | নগাঁও | ৫৮৩ | ৯০ | ৪৯৩ | ৯০ |
| ২২ | নলবাৰী | ৩৫০ | ৩৭ | ৪১৪ | ৪০ |
| ২৩ | শিৱসাগৰ | ২৮৭ | ২১ | ৫৩৪ | ৪১ |
| ২৪ | শোণিতপুৰ | ২৯৫ | ৪১ | ৭৪৯ | ৭৩ |
| ২৫ | দক্ষিণ শালমাৰা মানকাচৰ | ৯৪ | ৪ | ১৪৬ | ৬ |
| ২৬ | শ্ৰীভূমি | ৩১০ | ৩১০ | --- | ৩১০ |
| ২৭ | তিনিচুকীয়া | ২৫৯ | ৩১ | ৯২০ | ১৪৮ |
|  | **মুঠ** | **৭৫৬৬** | **২৪৯৯** | **১১৮৫৯** | **৫২২৩** |

ANNEXURE-B

| District wise details of Gaon Pradhans related to Starred Assembly Question No. 218 to be asked by Shri. Binod Hazarika, Hon'ble MLA. | | |
|---|---|---|
| ক্ৰমিক নং | জিলা | (গ) |
| ১ | বজালী | খালী হৈ থকা গাঁও প্ৰধানৰ পদসমূহ পূৰণৰ বাবে অতি সোনকালে বিজ্ঞাপন কৰা হ'ব। বজালী জিলাত ২০২২ চনত ৩৩ টা গাঁও প্ৰধান পদত নিযুক্তি দিয়া হৈছিল। ইয়াৰে ৫টা গাঁও প্ৰধানৰ পদত 'অসম ভূমি আৰু ৰাজহ নিয়মাৱলী, ১৮৮৬ (২০২৪ চনৰ সংশোধনী)ৰ কাৰ্যবাহী নিৰ্দেশনা নং ১৬২(ডি)ৰ অধীনত দাখিল কৰা পুনৰীক্ষণ আবেদনৰ বাবে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগত শুনানি চলি আছে। |
| ২ | বৰপেটা | খালী হৈ থকা গাঁও প্ৰধান পদসমূহ পূৰণৰ হেতু বৰপেটা জিলা আয়ুক্ত কাৰ্যালয়ে পদক্ষেপ গ্ৰহণ কৰিব। উল্লেখ থাকে যে বাঘবৰ ৰাজহ চক্ৰৰ বাঘবৰ মৌজাৰ ১২ নং লটতো মহামান্য উচ্চ ন্যায়ালয়ৰ অধীনত এটি মোকৰ্দমা চলি আছে, মোকৰ্দমা নং WP(C) 967/2026 (Jil Hoque – VS – State of Assam & ors) |
| ৩ | বিশ্বনাথ | খালী হৈ থকা গাঁও প্ৰধান পদ পূৰণ কৰিবৰ বাবে নিয়োগ বিজ্ঞাপন প্ৰকাশ কৰা হৈছে আৰু আবেদন গ্ৰহন কৰি থকা হৈছে। |
| ৪ | বঙাইগাঁও | এতিয়ালৈকে চৰকাৰে বঙাইগাঁও জিলাৰ গাঁও প্ৰধানৰ খালী পদসমূহ পূৰণ কৰাৰ বাবে অনুমোদন প্ৰদান কৰিছিল। সেই অনুসৰি বিজ্ঞাপনো প্ৰকাশ কৰা হৈছিল, কিন্তু কিছুমান আবেদনকাৰীয়ে মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা গোচৰ চলি থকাৰ বাবে নিয়োগ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব পৰা হোৱা নাই। |
| ৫ | কাছাৰ | খালী পদসমূহ পূৰণ কৰাৰ প্ৰক্ৰিয়া চলি আছে। |
| ৬ | চৰাইদেউ | গাঁও প্ৰধানৰ দুটা পদৰ ক্ষেত্ৰত Court Case চলি আছে। আন এটা পদৰ গাঁও প্ৰধানৰ ইতিমধ্যে মৃত্যু হৈছে। অনাগত দিনত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। |
| ৭ | দৰং | খালী থকা পদ সমূহ পূৰণৰ বাবে প্ৰক্ৰিয়া চলি আছে। |
| ৮ | ধেমাজি | খালী হৈ থকা পদসমূহ পূৰণৰ বাবে পদক্ষেপ লোৱা হৈছে। |
| ৯ | ধুবুৰী | ধুবুৰী জিলাৰ অধীনত ৪০৩টা গাঁওবুঢ়া পদত নিযুক্তিৰ প্ৰক্ৰিয়া চৰকাৰৰ অধিসূচনা নং RLR.187/2007/39, তাৰিখ 10/04/2018-ৰ আলোকত জিলা প্ৰশাসনৰ দ্বাৰা আৰম্ভ কৰা হৈছিল। সেই অনুসৰি, DRS.155/2016/35-36, তাৰিখ 06/07/2018-যোগে উক্ত পদসমূহ পূৰণৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰা হৈছিল। ইয়াৰ মাজতে, উক্ত বিজ্ঞাপনৰ বিৰুদ্ধে বিভিন্ন সংস্থা আৰু ব্যক্তিৰ দ্বাৰা মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ত কেইবাখনো Writ আবেদন দাখিল কৰে। পৰৱৰ্তী সময়ত, মাননীয় উচ্চ ন্যায়ালয়ে অন্তৰ্বৰ্তীকালীন আদেশ জাৰি কৰি গাঁওবুঢ়া পদত নিযুক্তি নিদিবলৈ আৰু এই কাৰ্যালয়ৰ পৰা জাৰি কৰা বিজ্ঞাপনসমূহ মামলাসমূহৰ চূড়ান্ত নিষ্পত্তি নোহোৱালৈকে স্থগিত ৰাখিবলৈ নিৰ্দেশ দিয়ে। এই কাৰ্যালয়ত উপলব্ধ নথি-পত্ৰ অনুসৰি গাঁওবুঢ়া নিযুক্তি সম্পৰ্কীয় মাননীয় উচ্চ ন্যায়ালয়ত দাখিল হোৱা Writ: WP(C)4790/2018, WP(C)5004/2018, WP(C)4694/2018, WP(C)7942/2018, WP(C)8409/2019, WP(C)5138/201, WP(C)5194/2018, WP(C)5113/2018, WP(C)5588/2018, WP(C)5003/2018, WP(C)5534/2018, WP(C)5570/2018, WP(C)6995/2018, WP(C)2612/2019, WP(C)No.385/2024. সেয়েহে, মাননীয় উচ্চ ন্যায়ালয়ত দাখিল হোৱা উক্ত সকলো ৰিট আবেদন চূড়ান্তভাৱে নিষ্পত্তি নোহোৱালৈকে, ধুবুৰী জিলাৰ গাঁওবুঢ়া নিযুক্তিৰ পৰৱৰ্তী প্ৰক্ৰিয়া আগবঢ়োৱা সম্ভৱ হোৱা নাছিল। |

| | | |
|---|---|---|
| ১০ | ডিব্ৰুগড় | ডিব্ৰুগড় জিলাত খালী হৈ থকা গাঁওপ্ৰধান পদসমূহ পূৰণৰ বাবে সকলো সম-জিলা আয়ুক্ত তথা সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত নিয়ুক্তি প্ৰক্ৰিয়াৰ প্ৰাৰম্ভিক কাম-কাজবোৰ আৰম্ভ কৰা হৈছিল, যিহেতুকে গাঁওপ্ৰধানসকলৰ নিয়ুক্তিৰ বিষয়টোৰ ক্ষেত্ৰত চৰকাৰী "অফিচ মেম'ৰেণ্ডাম" (Office Memorandum) নং ৪৫৮৪১২/১০৪, তাৰিখ ১১/১০/২০২৪ যোগে সম-জিলাসমূহক ক্ষমতা অৰ্পণ কৰা হৈছে।<br><br>কিন্তু চৰকাৰী অধিসূচনাত উল্লেখ থকা কাৰ্যবাহী নিৰ্দেশনা (Executive Instructions) অনুসৰি, গাঁওপ্ৰধানসকলৰ নিয়ুক্তিৰ বাবে এখন নিৰ্বাচন কমিটি/ব'ৰ্ড গঠন কৰিব লাগিব, য'ত উপায়ুক্ত (Deputy Commissioner), অতিৰিক্ত উপায়ুক্ত (ৰাজহ) [Additional Deputy Commissioner (Revenue)], আৰু সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়া (Circle Officer), যাৰ অধীনত উক্ত গাঁওবুঢ়া এলেকাটো অৱস্থিত, তেওঁলোক অন্তৰ্ভুক্ত থাকিব। কিন্তু সম-জিলাসমূহ (Co-Districts) গঠনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন কমিটিৰ নিৰ্দিষ্ট কৰ্তৃত্ব সম্পৰ্কীয় উক্ত কাৰ্যবাহী নীতি-নিৰ্দেশনাসমূহ এতিয়ালৈকে সংশোধন কৰা হোৱা নাই। যাৰ ফলত সম-জিলা পৰ্যায়ত গাঁও প্ৰধানসকলৰ নিয়ুক্তি প্ৰক্ৰিয়া আগবঢ়াই নিয়াত অসুবিধাৰ সৃষ্টি হৈছে।<br><br>গতিকে, এই সংক্ৰান্তত স্পষ্ট নিৰ্দেশনা বিচাৰি এখন চিঠি (No. GP/4/2025-RKG-DBR/45 dtd. 13/10/2025) ইতিমধ্যে উৰ্ধতম কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰা হৈছে (কপি সংলগ্ন কৰি দিয়া হৈছে) আৰু এই নিৰ্দেশনা পোৱাৰ লগে লগে গাঁওপ্ৰধানৰ নিয়ুক্তিৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰা হ'ব। |
| ১১ | গোৱালপাৰা | গোৱালপাৰা জিলাত খালীহৈ থকা পদ সমূহ পূৰণৰ বাবে বিগত বৰ্ষত বিজ্ঞাপন দি সাক্ষাৎকাৰ অনুষ্ঠিত কৰা হৈছিল। কিন্তু উচ্চ ন্যায়ালয়ত গোচৰৰ ৰায়দান সম্পৰ্কত, সংশ্লিষ্ট বিভাগৰ পৰা অনুমোদন পালে খালীহৈ থকা পদ সমূহ পূৰণৰ ব্যৱস্থা কৰিব পৰা যাব। বৰ্তমানলৈকে উচ্চ ন্যায়ালয়ত ১টা গোচৰ ক্ৰমে W.P.(c) No. 2467/2025 চলি আছে। |
| ১২ | গোলাঘাট | নিয়ুক্তি প্ৰক্ৰিয়া চলি আছে |
| ১৩ | হাইলাকান্দি | In pursuance of Govt. Notification No.RLR.187/2007/39 dated 10/04/2018, No.RLR.187/2007/Pt/24 dated 19/07/2019 & No.RLR.73/2020/3 dated 26/08/2021 and letter No. RLR/187/2007/Pt/30dated 28/08/2020 and in cancellation of this Office Advertisement made vide Memo No.HRC.22/2016/50-51-A dated 12/09/2018,"গাঁও প্ৰধান" পদত নিযুক্তিৰ বাবে ৪(চাৰি)টা ৰাজহ চক্ৰৰ অন্তৰ্গত ১৬৮টা লটৰ বিপৰীতে ইচ্ছুক প্ৰাৰ্থীসকলৰ পৰা নতুনকৈ আবেদন আহ্বান কৰা হৈছিল vide advertisement No.HRC.22/2016/90-91-A Dated 14/09/2021.(বিৱৰণ পৃথকভাৱে সংলগ্ন কৰা হৈছে). |
| ১৪ | হোজাই | ২০২২ চনত, খালী হৈ থকা গাঁও প্ৰধানৰ পদ সমূহৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল যদিও বিশেষ কাৰণ বশত: নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ হৈ উঠা নাই। |
| ১৫ | যোৰহাট | তিতাবৰ সম-জিলাৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰা হৈছে |
| ১৬ | কামৰূপ (মহানগৰ) | বৰ্তমানলৈকে কামৰূপ মহানগৰ জিলাৰ গাঁও প্ৰধানৰ খালী পদসমূহ পূৰণ কৰাৰ নিমিত্তে নিযুক্তি বিজ্ঞাপনৰ বাবে প্ৰাৰম্ভিক পৰ্যায়ৰ কাম-কাজ চলি থকা হৈছে। লগতে, এই বিষয়ত কোনো বিচাৰাধীন আদালতৰ মোকৰ্দমা, আপীল আবেদন বা পুনৰীক্ষণ আবেদন (Review Petition) বিষয়ে এই বিভাগ অৱগত নহয়। |

| | | |
|---|---|---|
| ১৭ | কামৰূপ, আমিনগাঁও | জুলাই, ২০২৬ মাহৰ আহি থকা সপ্তাহত কামৰূপ জিলাৰ অধীনত গাঁও প্ৰধানৰ খালী পদৰ বিপৰীতে বিজ্ঞাপন প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা হৈছে।<br>(i) ৰঙিয়া ৰাজহ চক্ৰৰ অধীনস্থ কুমাৰপেটা, বৰছিল, সটছিল গাঁৰৰ গাঁও প্ৰধান মনোৱাৰ ইছলামৰ বিৰুদ্ধে বিভাগীয়  কাৰ্য্যবিধি (DP) ৰুজু কৰা হৈছে। তেওঁ বৰ্তমান নিলম্বিত অৱস্থাত আছে। স্মাৰক নং- E-34309, RM-16/27/2023-KRM/134, তাৰিখ-19/05/2026।<br>(ii) নগৰবেৰা ৰাজহ চক্ৰৰ অধীনস্থ খামেৰী, কল্যাণপুৰ, নাইটাৰ গাঁৰৰ গাঁও প্ৰধান হাজৰত আলীৰ বিৰুদ্ধে বিভাগীয় কাৰ্য্যবিধি (DP) ৰুজু কৰা হৈছে। তেওঁ বৰ্তমান নিলম্বিত অৱস্থাত আছে। স্মাৰক নং- E-111248, RM-16/1/2024-KRM/134, তাৰিখ-16/07/2024।<br>(iii) পাচৰীয়া আৰু দলাৰপথাৰ গাঁৰৰ গাঁও প্ৰধান শ্ৰী লক্ষ্মণ ডেকাৰ নিলম্বন তদানীন্তন কামৰূপ জিলাৰ উপায়ুক্তই স্মাৰক নং- KRM-81/2020/37/23-26, তাৰিখ-10/01/2022 যোগে প্ৰত্যাহাৰ কৰিছিল। তেওঁৰ 23-06-2026 তাৰিখৰ আবেদন অনুসৰি, তেওঁ বৰ্তমানলৈকে নিজ কৰ্মত যোগদান কৰিব পৰা নাই।<br>(iv) পলাশবাৰী ৰাজহ চক্ৰৰ অধীনস্থ ১ নং জিয়াকুৰ গাঁৰৰ গাঁও প্ৰধান বৰ্তমান নিলম্বিত অৱস্থাত আছে।<br>(v) ছামৰীয়া ৰাজহ চক্ৰৰ অধীনস্থ তামুলডী গাঁৰৰ গাঁও প্ৰধান ছামেজুদ্দিন আহমেদৰ বিৰুদ্ধে বিভাগীয় কাৰ্য্যবিধি (DP) ৰুজু কৰা হৈছে। তেওঁ বৰ্তমান নিলম্বিত অৱস্থাত আছে। স্মাৰক নং- E-2714 (RM-16/22/2022)/403, তাৰিখ-30-06-2026। |
| ১৮ | লখিমপুৰ | খালী হৈ থকা গাঁও প্ৰধানৰ পদসমূহ পূৰণৰ বাবে এই কাৰ্যালয়ৰ ১৯-০৮-২০২৫ তাৰিখৰ জাননী নং- LR/25/2023-LR-LKPR/454763 মতে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। উত্তৰ লখিমপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ১৪ নং ৱাৰ্ডত উচ্চ ন্যায়ালয়ৰ গোচৰ নং-W.P.(C) No.5018/2021 চলি থকা বাবে উক্ত পদ পূৰণৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই। |
| ১৯ | মাজুলী | খালী হৈ থকা গাঁও প্ৰধানৰ পদসমূহ পূৰণৰ বাবে মাজুলী জিলা আয়ুক্ত কাৰ্যালয়ৰ দ্বাৰা বিজ্ঞাপন নং: আৰ.কে.জি./১৬/১/২০২৫- আৰ.ই.ভি.-এম.জে.এল./৩৭৬৭-৭৩, তাং: ১৪/০৭/২০২৬ অনুসৰি এক নিযুক্তি বিজ্ঞাপন জাৰী কৰা হৈছে। |
| ২০ | মৰিগাঁও | খালীহৈ থকা গাঁও প্ৰধান পদ সমূহ পূৰণৰ বাবে ইতিমধ্যে বিজ্ঞাপন প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। ৪(চাৰি) টা গাঁও প্ৰধান পদ সম্পূৰ্ণ গড়াখহনীয়াত গৈছে। ১(এক) টা পদত মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ চলি আছে আৰু ১(এক) টা পদত অসম চৰকাৰৰ মাননীয় অতিৰিক্ত মুখ্য সচিব ওচৰত গোচৰ চলি আছে। (প্ৰতিলিপি সংলগ্ন কৰা হ'ল)। |
| ২১ | নগাঁও | গাঁওপ্ৰধানৰ ৯০(নব্বৈ) টা খালী পদৰ  ভিতৰত ৬১(একষষ্ঠি)টা পদ পূৰণ কৰাৰ বাবে ইতিমধ্যে এন.আৰ.কে. ৪৭/২০২৫/১৯, তাং- ০১/১২/২০২৫ যোগে বিজ্ঞাপন প্ৰকাশ কৰা হৈছিল আৰু উক্ত পদসমূহ পূৰণৰ প্ৰক্ৰিয়া বৰ্তমান চলি আছে। বাকী থকা ২৯(উনত্ৰিশ) টা গাঁওপ্ৰধানৰ খালী পদৰ ভিতৰত ০২(দুই)টা গাঁওপ্ৰধানৰ পদ বিজ্ঞাপন প্ৰকাশ কৰাৰ পিছত খালী হয় আৰু বাকী থকা ২৭(সাতাইশ) টা পদৰ নিযুক্তিৰ ক্ষেত্ৰত Court Case, Appeal Petition, Review Petition etc. চলি থকাৰ হেতুকে খালী পদ সমূহ পূৰণ কৰিব পৰা হোৱা নাই। |
| ২২ | নলবাৰী | খালী হৈ থকা পদ সমূহ পূৰণৰ বাবে Budget Session ৰ পিছত পদক্ষেপ লোৱা হ'ব আৰু এটা High Court Case  WP(C) No- 6149/2025 (Faizul Haque Vs The State Of Assam & Ors) চলি আছে । |
| ২৩ | শিৱসাগৰ | খালী হৈ থকা গাঁও প্ৰধান পদসমূহ পূৰণ কৰিবৰ কাৰণে অতি শীঘ্ৰে পদক্ষেপ গ্ৰহণ কৰা হ'ব |
| ২৪ | শোণিতপুৰ | খালী হৈ থকা পদ সমূহ পূৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। অতি সোনকালে নিয়োগ বিজ্ঞাপন প্ৰকাশ কৰা হ'ব। |

| | | |
|---|---|---|
| ২৫ | দক্ষিণ শালমাৰা মানকাচৰ | ১। লট নং-৩৯ৰ বৰ্তমানৰ গাঁও প্ৰধান শিক্ষক হিচাপে যোগদান কৰাৰ ফলত উক্ত লটৰ গাঁও প্ৰধানৰ পদ থালী হৈছে। তদুপৰি, লট নং-৭৭ৰ গাঁও প্ৰধানৰ মৃত্যুৰ ফলতো উক্ত পদ খালী হৈ আছে। ২। লট নং-১২ আৰু ৫১ সম্পৰ্কীয় আদালতৰ গোচৰ আৰু সংশ্লিষ্ট নথিপত্ৰসমূহ ১৬ নৱেম্বৰ, ২০২১ তাৰিখে Vigilance P.S. Case No. 05/2021 অনুসৰি Inspector of Police, C.M.'s Special Vigilance Cell, Assam, Guwahati-32-এ জব্দ (Seized) কৰি লৈ যোৱাৰ ফলত উক্ত লট দুটাৰ গাঁও প্ৰধানৰ পদ পূৰণৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা সম্ভৱ হোৱা নাই। |
| ২৬ | শ্ৰীভূমি | এই কাৰ্যালয়ৰ বিজ্ঞাপন নং KRK.69/2016/114-15, তাৰিখ 07/09/2019 যোগে এক বিজ্ঞাপন প্ৰকাশ কৰা হৈছিল, কিন্তু L.A.-1 ৰাতাবাৰী (SC) সমষ্টিৰ উপনিৰ্বাচন, বিধানসভা নিৰ্বাচন, পৌৰসভা নিৰ্বাচন আৰু COVID-19 মহামাৰীৰ পৰিস্থিতিৰ বাবে গাঁও প্ৰধানৰ বাছনি প্ৰক্ৰিয়া সম্পন্ন কৰিব পৰা হোৱা নাই। |
| ২৭ | তিনিচুকীয়া | তিনিচুকীয়া জিলাৰ অন্তৰ্গত বৰ্তমানলৈকে খালী হৈ থকা গাঁও প্ৰধানৰ পদ সমূহ পূৰণ কৰিবৰ বাবে বৰ্তমান সম জিলা কাৰ্য্যালয় সমূহৰ জৰিয়তে গাঁও প্ৰধান নিয়োগৰ ব্যৱস্থা কৰা হৈছে। কোনো court case, Appeal Petition, Review Petition ইত্যাদি চলি থকা নাই। |